بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বদৰৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনা সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৪ জুলাই ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোর্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বদৰৰ যুদ্ধৰ পৰিস্থিতি হাঙুৰি লৈ আঁহজৰত (ছাঃ)ৰ জীৱন চৰিত আৰু বিভিন্ন ঘটনা সম্পৰ্কে বৰ্ণনা চলি আছে। বদৰৰ যুদ্ধৰ অন্ত পৰাৰ সৈতে আল্লাহ তা'লা কাফিৰ সকলক চৰম দুৰ্গতিৰ পথলৈ ঠেলি দিছিল। সত্তৰ জন কাফিৰৰ মৃত্যু হৈছিল, যি সকলৰ মাজত চহকী লোক আৰু কেইবাজনও চৰদাৰ চামিল আছিল।

কুৰাইছৰ নেতৃবৰ্গৰ লোক সকলৰ দফন সম্পৰ্কে এয়া উল্লেখ পোৱা যায়। যিবোৰ কথা ছহী বুখাৰীত উল্লেখ আছে। উল্লেখ আছে যে এবাৰ নবী কৰিম (ছাঃ)য়ে খানা কাবাত নামাজ পঢ়ি আছিল আৰু ছিজদাৰত অৱস্থাত আছিল এনেতে মক্কাৰ কাফিৰ সকলে জন্তুৰ পাকস্থলী আনি তেখেত (ছাঃ)ৰ কান্ধ, পিঠিৰ ওপৰত ৰাখি দিয়ে। হুজুৰ (ছাঃ)য়ে সেই দুৰ্গন্ধময় আৱৰ্জনা পিঠিত লৈয়ে ছিজদাত পৰি থকা দেখি কাফিৰ সকলে খিলখিলাই হাঁহি থাকে। ইয়াৰ পিছত হজৰত ফাতিমা (ৰাঃ)য়ে তাতে আহি সেই আৱৰ্জনা আঁহজৰত (ছাঃ)ৰ কান্ধৰ পৰা আঁতৰ কৰে। সেই মুহূৰ্তত আঁহজৰত (ছাঃ)য়ে দোৱা কৰিছিল যে হে আল্লাহ! তুমি কুৰাইছ সকলক গ্ৰেপ্তাৰ কৰা। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে আমৰ বিন হিশাম,উতবা বিন ৰবিয়া,শ্বইবা বিন ৰবিয়া, অলিদ বিন উতবা,উমিয়া বিন খালফ আৰু অন্যান্য কাফিৰ সকলৰ নাম লৈ দোৱা কৰে যে হে আল্লাহ ! এওঁলোকক তুমি গ্ৰেপ্তাৰ কৰি লোৱা। ৰাৱী হজৰত আব্দুল্লাহ কৈছে যে আল্লাহৰ শপত ! মই বদৰৰ দিনাখন সিহঁত সকলোকে পৰি থকা দেখিছিলো। তাৰ পিছত সিহঁতক চোঁচৰাই নি গাঁতত পেলাই দিয়া হৈছিল। তেতিয়া হুজুৰ (ছাঃ)য়ে কৈছিল যে গাঁতত পৰি থকা সকলে অভিসম্পাতৰ গ্ৰাসত আছে।

হজৰত আবু তালহা আনছাৰি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ)য়ে বদৰৰ যুদ্ধৰ দিনাখন কাফিৰ

সকলৰ ২৪ জন লোকৰ বাবে আদেশ দিছিল আৰু তেওঁলোকক বদৰত অৱস্থিত এখন কুঁৱাত পেলাই দিয়া হৈছিল। বদৰ প্ৰান্তৰ পৰা ওভতি অহাৰ সময়ত হুজুৰ (ছাঃ)য়ে গৈ সেই কুঁৱাখনৰ কাষত থিয় হৈ সেই কাফিৰে মক্কাৰ লোক কেইজনৰ বাপেকৰ নাম ধৰি মাতি মাতি কৈছিল হায় ! তোমালোকে যদি আল্লাহ আৰু তাৰ ৰছুলৰ আনুগত্য স্বীকাৰ কৰিলাহেঁতেন। তোমালোকে সেই সকলোবোৰ পাই গলা যিবোৰ আল্লাহ তাৰ ৰছুলৰ সৈতে প্ৰতিশ্ৰুতি দিছিল।

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই ঘটনা সমূহৰ বিষয়ে উল্লেখ কৰোঁতে কৈছে যে হুজুৰ (ছাঃ)ৰ এই কথাবোৰৰ পৰা যে হে গাঁতত পৰি থকা সকল! তোমালোকে মোৰ লগত যুদ্ধ কৰিলা আৰু বেলেগে মোক সহায় কৰিলে, প্ৰকাশ পায় যে তেখেত (ছাঃ)য়ে বিশ্বাস ৰাখিছিল যে এই যুদ্ধৰ আৰম্ভণী কাফিৰ সকলে কৰিছিল আৰু তেখেত (ছাঃ)য়ে বাধ্য হৈ আত্ম ৰক্ষাৰ্থে তৰোৱাল হাতত ল'ব লগা হৈছিল।

জীৱনীমূলক কিতাপবোৰত থকা বদৰৰ যুদ্ধৰ বৰ্ণনাত হুজুৰ (ছাঃ)ৰ কিছুমান মজিজা (অলৌকিক ঘটনা) ৰ বিষয়ে উল্লেখ পোৱা যায়। আকাছা বিন মহচিন (ৰাঃ)ৰ বিষয়ে উল্লেখ আছে যে বদৰৰ দিনাখন সি নিজৰ তৰোৱালেৰে যুদ্ধ চলাই থাকোতে তেখেতৰ তৰোৱাল ডাল ভাঙি যায়। তেতিয়া সি হুজুৰ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হয় আৰু আঁহজৰত (ছাঃ)য়ে তেখেতক এচটা কাঠৰ মাৰি হাতত ধৰাই দি কৈছিল তুমি এইটো লৈ গৈ কাফিৰৰ সৈতে যুদ্ধ কৰাগৈ। হজৰত আকাছা (ৰাঃ)য়ে সেই মাৰি ডাল হাতত লৈ হাত উঠুৱাই ঘূৰাই দিয়াৰ লগে লগে সেয়া তেখেতৰ হাতত তৰোৱালৰ দৰে হৈ যায়।

কাফিৰ সকলৰ পৰাজয়ৰ খবৰ মক্কাত কেনেকৈ পৌচাইছিল, এই সম্পৰ্কে বৰ্ণনা পোৱা যায় যে যুদ্ধত পৰাজয় হোৱাৰ ভয়ত মুশৰেকিন সকলে যুদ্ধক্ষেত্ৰ এৰি পলাই মক্কাৰ ফালে যাবলৈ ধৰে। লাজে অপমানে সিহঁতে বিচলিত হৈ পৰি মক্কাত কেনেকৈ প্ৰৱেশ কৰিব তাৰ উপায় বিচাৰি পোৱা নাছিল। যেতিয়া কাফিৰ সকলে মক্কাৰ বাসিন্দা সকলক কুৰাইছৰ ডাঙৰ ডাঙৰ চৰদাৰ সকল যুদ্ধত নিহত হোৱাৰ খবৰ দিছিল তেতিয়া কুৰাইছ সকলে বিশ্বাস কৰিব পৰা নাছিল। কুৰাইছ সকলে মৃতকৰ বাবে শোকাকুল হ'বলৈ চিঞৰ-বাখৰ কৰিবলৈ মানা কৰিছিল।

আনফালে আঁহজৰত (ছাঃ)য়ে মদিনা বাসীক বিজয়ৰ সুসংবাদ দিবলৈ হজৰত আব্দুল্লাহ বিন ৰওয়াহা (ৰাঃ)ক মদিনাৰ চহৰলৈ আৰু হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ক মদিনাৰ ওচৰতে থকা বস্তিলৈ পঠিয়াই দিছিল।

হজৰত উছামা বিন জায়েদ (ৰাঃ)য়ে কৈছে যে আমি বদৰৰ বিজয় বাৰ্তা তেতিয়াহে পাইছিলো যেতিয়া আমি হজৰত ৰুকিয়া বিনতে ৰছুলুল্লাহ (ছাঃ) আৰু হজৰত উচমান (ৰাঃ)ৰ পত্নীৰ কবৰৰ মাটি সজাই সমান কৰি দিছিলো।

যেতিয়া জায়েদ বিন হাৰছা (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ উটনীৰ ওপৰত আৰোহণ কৰি মদিনাত প্ৰৱেশ কৰিছিল তেতিয়া মুনাফিক আৰু ইহুদী সকলে এয়া ক'বলৈ আৰম্ভ কৰিছিল যে মুছলমান সকলে যুদ্ধত পৰাজয় বৰণ কৰিছে আৰু (নাউজুবিল্লাহ) আঁহজৰত (ছাঃ)য়ে যুদ্ধত মৃত্যু বৰণ কৰিছে,সেয়ে জায়েদ (ৰাঃ) আঁহজৰত (ছাঃ)ৰ উটনীৰ পিঠিত উঠি আহি আছে। যেতিয়া হজৰত জায়েজ বিন হাৰছা (ৰাঃ)য়ে যুদ্ধৰ বিজয় বাৰ্তা শুনাইছিল আৰু কুৰাইছ সকলৰ ডাঙৰ ডাঙৰ চৰদাৰ সকলৰ নাম লৈ লৈ কৈছিল যে অমুক অমুক কুৰাইছ চৰদাৰ যুদ্ধত নিহত হৈছে তেতিয়া মুনাফিক সকলে আচৰিত হৈ কৈছিল যে এয়া কেনেকৈ হ'ব পাৰে। অনুমান হয় যুদ্ধত পৰাজিত হৈ আৰু হুজুৰ (ছাঃ)য়ে মৃত্যু বৰণ কৰাৰ কাৰণে জায়েদৰ মস্তিষ্কৰ বিকাৰ ঘটিছে।

মদিনাৰ বাসিন্দা সকলে যুদ্ধ বিজয়ৰ আনন্দত মতলীয়া হৈ আঁহজৰত (ছাঃ)ক স্বাগত জনাবলৈ মদিনাৰ বাহিৰত অৱস্থিত এখন ঠাই আমডলৈ আহে। সেই মুছলমান সকলৰ আনন্দ এটা উপলব্দি কৰিবলগীয়া দৃশ্য

আছিল।

বদৰৰ যুদ্ধত মুছলমান সকলে মালে গণিমত হিচাপে ১৫০ টা উট আৰু দহটা ঘোঁৰা লাভ কৰিছিল। ইয়াৰ ওপৰি ভালেখিনি সা-সামগ্ৰী,অস্ত্ৰ-শস্ত্ৰ কাপোৰ আৰু বহুতো ছাল ৰঙীণ চামৰা আৰু ঊন হস্তগত কৰিছিল। সেইবোৰ বিতৰণৰ সময়ত ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ বাবে চাহাবা সকলৰ সমান অংশ ৰাখিছিল। চাহাবা সকলে এখন তৰোৱাল আঁহজৰত (ছাঃ)ৰ নিমিত্তে পৃথককৈ ৰাখিছিল। এনেদৰে এটা উট যিটো আবু জাহিলৰ উট আছিল সেইটো আঁহজৰত (ছাঃ)য়ে লাভ কৰিছিল। জীৱনী মূলক কিতাপবোৰত সেই তৰোৱাল আৰু উটক বৰ গুৰুত্ব বহুল বুলি উল্লেখ কৰা আছে। সেই তৰোৱালৰ নাম জুলফুক্কাৰ আছিল। পিছলৈ সংঘটিত হোৱা বিভিন্ন যুদ্ধত আঁহজৰত (ছাঃ)য়ে সেই তৰোৱাল খন নিজৰ লগত ৰাখিছিল।

নবী কৰিম (ছাঃ)ৰ পিছত এই তৰোৱালখন আববাছি খলিফা সকলৰ ওচৰত আছিল। এনেদৰে সেই উট হুদায়বিয়াৰ সন্ধিৰ সময়লৈকে আঁহজৰত (ছাঃ)ৰ ওচৰতে আছিল আৰু হুদায়বিয়াৰ সন্ধিৰ সময়ত আঁহজৰত (ছাঃ)য়ে এই উটক কোৰবাণী কৰাৰ নিমিত্তে লৈ গৈছিল।

বদৰ যুদ্ধৰ মালে গণিমত বিতৰণৰ সময়ত আঁহজৰত (ছাঃ)য়ে শ্বহীদ সকলৰ উত্তৰাধীকাৰী সকলকও মালৰ অংশ দিছিল। এনেদৰে মদিনাত থকা অন্ধ আৰু অন্যান্য চাহাব, যিসকলে বিভিন্ন দায়িত্ব পালনত থকা কাৰণে যুদ্ধত অংশ ল'ব পৰা নাছিল তেওঁলোককও অংশ দিছিল।

বদৰ যুদ্ধৰ কয়েদী সকলক ফিদিয়া লৈ এৰি দিয়া হৈছিল। ফিদিয়াৰ পৰিমাণ এক হাজাৰৰ পৰা চাৰি হাজাৰ লৈকে আছিল। যিজনে ফিদিয়া দিব পৰা নাছিল, তেওঁৰ বাবে চৰ্ত দিয়া হৈছিল যে তেওঁ মদিনাৰ ল'ৰা-ছোৱালী সকলক লিখা-পঢ়া শিকাব লাগিব, তেহে তাক ৰেহাই দিয়া হ'ব। এনেদৰে কিছুমান যুদ্ধ বন্দী সকলক সামান্য ফিদিয়াৰ (মুক্তিপনৰ) সলনি এৰি দিয়া হৈছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই বিষয়ে লিখিছে যে মদিনালৈ ওভতি আহি আঁহজৰত (ছাঃ)য়ে কয়েদী সকলৰ বিষয়টো লৈ পৰামৰ্শ পাতিছিল যে এওঁলোকক কি কৰা উচিত হ'ব। আৰবত সাধাৰণতে যুদ্ধ বন্দী সকলক হত্যা কৰি পেলোৱা অথবা চিৰস্থায়ী হিচাপে নিজৰ দাস বনাই লোৱাৰ প্ৰথা প্ৰচলিত আছিল। কিন্তু এই নীতি আঁহজৰত (ছাঃ)য়ে সমুলি পছন্দ কৰা নাছিল। আনহাতে তেতিয়ালৈকে এই সম্পৰ্কে কোনো ধৰণৰ ঐশ্বৰিক আদেশও নাযিল হোৱা নাছিল। সেয়ে আবু বক্কৰ (ৰাঃ)য়ে জনাইছিল যে মোৰ মতামত হ'ল এওঁলোকক ফিদিয়া লৈ এৰি দিয়া উচিত কাৰণ যিমানেই যি হৈছে সেয়া হৈ গৈছে এওঁলোক আমাৰ ভাই হয় আৰু কি আচৰিত হ'ব লগীয়া আছে কালি কিজানি এওঁলোকৰ অন্তৰত ইছলামৰ প্ৰতি আকৰ্ষণ আহি পৰিব। কিন্তু হজৰত উমৰ (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ মতামতৰ বিৰোধ কৰি কৈছিল যে দ্বীনৰ ক্ষেত্ৰত আত্মীয়তাৰ কোনো মূল্য ঠিক নহয় আৰু এওঁলোকে নিজৰ কৃতকৰ্ম অনুযায়ী মৃত্যুদণ্ড পোৱাৰ যোগ্য হৈছে। গতিকে মোৰ মতে এওঁলোকক মৃত্যুদণ্ড দিয়া উচিত বৰং এয়া আদেশ দিয়া যাওঁক যে মুছলমান সকলে নিজে নিজৰ হাতেৰে নিজ নিজ আত্মীয় সকলক হত্যা কৰি পেলাওঁক। আঁহজৰত (ছাঃ)য়ে নিজৰ দয়ালু স্বভাৱৰ অধীনত অনুপ্ৰাণিত হৈ হজৰত আবু বক্কৰ (ৰাঃ)ৰ ৰায় পছন্দ কৰে আৰু হত্যাৰ বিপৰীতে সিদ্ধান্ত আগবঢ়ায় যে যিজন বন্দীয়ে নিজৰ ফিদিয়া আদায় দিব তাক এৰি দিয়া হ'ব। গতিকে পিছত সেই অনুযায়ী ঐশ্বৰিক আদেশ নাযিল হৈছিল। গতিকে প্ৰত্যেকজন ব্যক্তিৰ সমৰ্থ অনুযায়ী এহেজাৰৰ পৰা চাৰি হেজাৰ দেৰহাম লৈকে ফিদিয়া নিৰ্ধাৰণ কৰা হয় আৰু কয়েদী সকলক এৰি দিয়া হয়।

বদৰ যুদ্ধৰ বৰ্ণনা আগলৈ চলি থাকিব বুলি কৈ হুজুৰ (আইঃ)য়ে তলত উল্লেখিত মৰহুমিন সকলৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। ইয়াৰে প্ৰথমজন হ'ল ৰাণা আব্দুল হামিদ খান চাহাব (কাঠগিৰি, মুৰববী

ছিলছিলা ও নায়েব নাজিম মাল ওৱাকফে জাদিদ পাকিস্তান) দ্বিতীয় জন হ'ল মকৰমা নুচৰত জাহা আহমদ চাহিবা পত্নী মকৰম মোবাশ্বিৰ আহমদ চাহাব (মুৰববী ছিলছিলা, আমেৰিকা) হুজুৰ আনোৱাৰ (আইঃ)য়ে দুয়োজন মৰহুমিনৰ বাবে মাগফিৰাত আৰু আত্মাৰ সদগতি কামনা কৰি দোৱা কৰে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمکم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 14 JULY 2023**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844